# অৰুণজ্যোতি

হাতে লিখা আলোচনী
৫ম সংখ্যা, ২০২৫



সম্পাদিকা :
কৰিস্মা চোমেৱাল

# শ্ৰদ্ধাঞ্জলি



" কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা "
( ১৯০৯ – ১৯৬৯ )

হে মহান আজিৰ এই শুভ ক্ষণত
তোমাক শ্ৰদ্ধাৰে স্মৰিছোঁ –

" আপোনাৰ আদৰ্শ, সাহিত্য- কৃষ্টি সংস্কৃতি অসমীয়া জনসাধাৰণৰ প্ৰাণত চিৰকাললৈ অমৰ হৈ থাকিব

ঃ উপোচকৰ চৰী :– [illegible]
২০/০৬/২০২৪

# সম্পাদনা সমিতি

উপদেষ্টা : ফণীন সোনোৱাল, কল্পজিৎ সোনোৱাল, তিলেশ্বৰ সোনোৱাল, সঞ্জীৱ কুমাৰ সোনোৱাল, পৰাগ সোনোৱাল।

সম্পাদিকা : কৰিষ্মা সোনোৱাল

সহঃ সম্পাদক/ সম্পাদিকা : সৰ্বানন্দ সোনোৱাল, ৰিমলী সোনোৱাল।

বেটুপাত : লুনা সোনোৱাল

চিত্ৰাংকন : ঊৰ্মি সোনোৱাল, জ্যোতিপ্ৰসম সোনোৱাল, সৰ্বানন্দ সোনোৱাল, লুনা, ৰিমলী সোনোৱাল।

সদস্য/সদস্যা : ৰাজমণি সোনোৱাল, অনিতা সোনোৱাল, অৰ্চনা সোনোৱাল, কুশ সোনোৱাল, কপিল সোনোৱাল।

# কৃতজ্ঞতা স্বীকাৰ



যি সকলে আমাক মৰম, শুভেচ্ছা,
সং দিয়া পাৰামৰ্শৰে সদায়
উৎসাহিত কৰি আহিছে লগতে
শুভাকাংক্ষী ৰাইজ তথা সাংঘ
আৰু আলোচনী মনিৰ লগত
ওতঃপ্ৰোতভাৱে জড়িত সকলোলৈকে
আমি ধন্যবাদ জ্ঞাপন কৰিছো।

—ধন্যবাদ॥
—সম্পাদনা সমিতি,
অৰুণজ্যোতি স্মৃতিগ্ৰন্থ।

# : সম্পাদকীয় প্ৰকলম :

সাহিত্য-সংস্কৃতি হ'ল এটা জাতি বা এখন সমাজৰ দাপোন-স্বৰূপ। সাহিত্য অবিহনে সমাজ-সংস্কৃতি পৰিপূৰ্ণতাৰ দিশে ধাবমান হ'ব নোৱাৰে। সাহিত্যত প্ৰকাশিত হয় এখন সমাজত চলি থকা বিভিন্ন ঘটনা-পৰিঘটনাৰ সামগ্ৰিক ৰূপ। সমাজৰ শান্তি-সম্প্ৰীতি আৰু শিক্ষা প্ৰচাৰৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সেয়ে আমাৰ এই অঞ্চলটো যাতে সাহিত্যৰ দ্বাৰা কিছু উন্নতিৰ ৰেঙণি প্ৰকাশ পায়, তাৰ বাবে প্ৰসু-আলোচনীৰ জৰিয়তে আমি ন-ন সৃষ্টি কৰিছো।

বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে বিগত কেইবাটো বছৰৰ আগৰ পৰাই আমাৰ সংঘই 'বিষ্ণুপ্ৰসাদ ৰাভা' দিৱসটি উদযাপন কৰাৰ লগতে আলোচনী তথা স্মৃতি গ্ৰন্থও প্ৰকাশ কৰি আহিছে। হাতে লিখা আলোচনীখনৰ প্ৰচেষ্টা '৫ম' বাৰৰ বাবে হাতত লোৱা হৈছে। আমাৰ এই আলোচনীখন প্ৰস্তুত কৰোঁতে যিসকল লিখক-লেখিকাই লিখনি দি সহায় কৰিলে তেওঁলোকৰ লগতে সম্পাদনা সহযোগী সকলকো আমাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো।



~ শ্ৰদ্ধাৰে ~

কৰিশ্মা সোনোৱাল
সম্পাদিকা,
অৰুণ জ্যোতি, হাতে লিখা
আলোচনী।

## অৰুণজ্যোতি যুৱ সংঘৰ সভাপতি ও সম্পাদকৰ একলম :



তেৰেলী সোনোৱাল গাঁৱৰ 'অৰুণ জ্যোতি যুৱ সংঘৰ জন্ম হৈছিল নিজ গাঁৱৰ লগতে অঞ্চলৰ যুৱক-যুৱতী সকলক সু-সংগঠিত কৰি তেওঁলোকৰ শাৰীৰিক, মানসিক, বৌদ্ধিক, সাংস্কৃতিক দিশসমূহৰ উন্নতি সাধন কৰা। তেনে উদ্দেশ্য আগত ৰাখি ২০১১ চনৰ পৰা 'কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা' দিৱসটি আয়োজন কৰি অহা হৈছে। এই ৰাভা দিৱসটি অনুষ্ঠিত কৰি যোৱাৰ এক ক্ষুদ্ৰতম প্ৰয়াস সংঘৰ দ্বাৰা কৰি অহা হৈছে। এই বছৰো তাৰ এক সম্প্ৰৰীমা প্ৰচেষ্টা।

ছাত্ৰ-ছাত্ৰী সকলৰ বাবে এনে উপযুক্ত মঞ্চ প্ৰদান কৰি জাতিটোৰ তথা বিশ্বৰ ভাষা-সংস্কৃতি বিকাশৰ ক্ষেত্ৰত যাতে ভৱিষ্যতে আগবাঢ়ি যাব পাৰে তাক কেন্দ্ৰ কৰি প্ৰচেষ্টা চলোৱা হৈছে। তাৰ সংগতি ৰাখি 'অৰুণজ্যোতি' হাতে লিখা আলোচনীৰ ৩য় সংখ্যা প্ৰকাশ কৰিবলৈ হাতত তুলি লোৱা হৈছে। আলোচনী খন প্ৰকাশৰ বাবে প্ৰয়োজনীয় পুঁজি, সৎ দিহা-পৰামৰ্শ প্ৰদান কৰাৰ বাবে সেই সকল ব্যক্তিৰ ওচৰত তথা সম্পাদনা সমিতিৰ ওচৰত আমি চিৰ কৃতজ্ঞ হৈ ৰ'ম।

তদুপৰি, অনাগত দিনত সংঘৰ কাৰ্য-কলাপত সহ-যোগিতা আৰু দিহা-পৰামৰ্শ আশা কৰি বৰ্তমান সময়ত সংঘৰ কাম-কাজত সহায় আগবঢ়োৱা লোক সকলৰ ওচৰত আমি চিৰ ধনী।

সঞ্জীৱ কুমাৰ সোনোৱাল
সভাপতি, অঃ জ্যোঃ যুঃ সঃ

পাৰাগ সোনোৱাল
সম্পাদক, অঃ জ্যোঃ যুঃ সঃ

# : সূচীপত্ৰ :

**প্ৰবন্ধ -**

সুন্দৰৰ পূজাৰী : শিল্পী সোণোৱাল ।

**গল্প -**

শেষ বিদায় : গৌৰৱ সোণোৱাল ।

**কবিতা -**

প্ৰত্যাখান : সৰ্বানন্দ সোণোৱাল ।
সোঁৱৰণি : লক্ষিতা সোণোৱাল ।
উকা হৃদয় : মমতা (বন্দনা) বড়া সোণোৱাল ।
ৰাজ্য এক শিল্পৰ বিপ্লৱ : ইমাৰাণী সোণোৱাল ।
The world inside a Tear drop : ডেভিদ সোণোৱাল ।
আকৌ লগ পাম : গৌৰাংগ কৃষ্ণ সোণোৱাল ।
তুমি : জ্যোতি প্ৰিয়ম সোণোৱাল ।
মনৰ ভাষা : কাব্যম সোণোৱাল ।
সৌপতা : অৰ্পিতা সোণোৱাল ।
Myth : ৰাজমণি সোণোৱাল ।

মোৰ মন যায় : জিওপখ্যা সোনোৱাল

ৰঙা ৰং : জোনমণি সোনোৱাল।

বৰষুণ : চুম সোনোৱাল।

তোমাৰ মহিমা : পাঞ্চাগ সোনোৱাল।

* * * *

# প্রবন্ধ

# সুন্দৰৰ পূজাৰী

- শিল্পী সোনোৱাল

মহা মহা পুৰুষৰ চানেকিয়ে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত

জীৱন গঢ়াৰ আদৰ্শ স্বৰূপ এইজনা মহান পুৰুষ একাধাৰে সুনিপুণ নৃত্য-শিল্পী, বাদ্য-শিল্পী, নাট্যকাৰ সুদক্ষ অভিনেতা, কবি, গল্পকাৰ, খেলুৱৈ, নিবন্ধকাৰ, সুগায়ক, গীতিকাৰ আৰু সুৰকাৰ আছিল। তেওঁ এজন সৃষ্টিশীল প্ৰতিভা সম্পন্ন আৰু তীক্ষ্ণ বুদ্ধিৰ ব্যক্তি আছিল। সকলো গুণৰ অধিকাৰী এইজনা মহান ব্যক্তিক কাশী হিন্দু বিশ্ব বিদ্যালয়ৰ উপাচাৰ্য ড° সৰ্বপল্লী ৰাধা কৃষ্ণনে কলাগুৰু সন্মানেৰে বিভূষিত কৰিছিল। তেওঁৱেই হ'ল চিৰ সুন্দৰৰ পূজাৰী বিষ্ণু প্ৰসাদ ৰাভা।

জন্ম আৰু শিক্ষা :- তেওঁৰ জন্ম হৈছিল ১৯০৭ চনৰ ৩১ জানুৱাৰী তাৰিখে বৰ্তমান বাংলাদেশৰ ঢাকা চহৰত। তেওঁৰ পিতৃৰ নাম গোপাল চন্দ্ৰ ৰাভা মাতৃ গৌৰী বালা ৰাভা। তেওঁ প্ৰাথমিক শিক্ষা ঢাকা চহৰতেই বাংলা ভাষাত আৰম্ভ কৰিছিল। হাইস্কুলীয়া শিক্ষা তেজপুৰত আৰু কলেজীয়া শিক্ষা কোচবিহাৰ আৰু কলিকতাত লাভ কৰিছিল। তেওঁ তেজপুৰৰ পৰা প্ৰৱেশিকা পৰীক্ষাত সমগ্ৰ ৰাজ্যৰ ভিতৰত প্ৰথম স্থানত উত্তীৰ্ণ হয়। সেয়েহে তেওঁক 'কুইন এম্প্ৰেছ' বটা প্ৰদান কৰিছিল।

তেওঁ স্কুলীয়া শিক্ষাৰ লগে লগে সংগীতৰো শিক্ষা আৰম্ভ কৰিছিল । ৰাছিয়াৰ বিশ্ব বিখ্যাত নৃত্য পটীয়সী আনা পাভলোভাৰ নৃত্য দেখি তেওঁ অনুপ্ৰাণিত হৈছিল । ১৯৪০ চনত কাশী হিন্দু বিশ্ব বিদ্যালয়ত ৰাভাই শিৱৰ তাণ্ডৱ নৃত্য, প্ৰজা পালি নৃত্য আৰু কালীয় দমন নৃত্য পৰিবেশন কৰিছিল । তেওঁৰ নৃত্যই বহুতৰে মন হৰিছিল । তেওঁ এজন নিখুঁত চিত্ৰকৰো আছিল । তেওঁ বহুতো ছবি আঁকিছিল তাৰ ভিতৰত শ্ৰীমন্ত শংকৰদেৱৰ চিত্ৰ আৰু বাঁহী আলোচনীৰ বেটুপাতৰ বাবে অঁকা সাতখলপীয়া সিংহাসনৰ ছবি উল্লেখযোগ্য । তেওঁ এজন বাদ্য শিল্পী হোৱাৰ হেতুকে তেওঁ বহুতো বাদ্য বজাব জানিছিল । অসমৰ বিভিন্ন বাদ্য যন্ত্ৰ যেনে- ঢোল, খোল, তাল, পেঁপা, টকা আদিৰ বিষয়ে তেওঁ বিজ্ঞান সন্মত অধ্যয়ন কৰিছিল ।

সাহিত্য / সংস্কৃতি :- বিষ্ণু ৰাভাৰ সাংস্কৃতিক জীৱনৰ কেন্দ্ৰস্থল আছিল তেজপুৰৰ বান থিয়েটাৰ । তাত তেওঁ বিভিন্ন গীত গোৱাৰ উপৰি নাটকত অভিনয় কৰিছিল । তেওঁ কেইবাটাও ভাষাত দক্ষতা অৰ্জন কৰিছিল । অসমীয়া, বাংলা, হিন্দী, ইংৰাজী ভাষাৰ বাহিৰে ৰাভা, বড়োকে ধৰি কেইবাটাও জনজাতীয় ভাষা জানিছিল ।

বিষ্ণুপ্ৰসাদ ৰাভাই বহুবৰণৰ বিষয় লৈ লিখা-মেলা কৰিছিল । তাৰে ভিতৰত অজস্ৰ গীত-মাত, নাটক, নৃত্যনাটিকা, প্ৰবন্ধ-গল্প, জীৱনী আৰু উপন্যাসেই আছিল । ১৯৩০ চনৰ পৰা 'বাঁহী' 'কৃষ্টিৰ অসমৰ পৰিকল্পনা" শীৰ্ষক এক প্ৰবন্ধ শৃংখলা প্ৰকাশ কৰিছিল । তেওঁৰ একমাত্ৰ উপন্যাস - মিচিং কনেং আৰু পঞ্চ-

সামৰণি :- বিষ্ণু ৰাভাই কৈছিল "যি জাতিৰ কৃষ্টি - সংস্কৃতি প্ৰগতিশীল নহয়, স্থিতিশীল সেই জাতিৰ জীৱন-যাত্ৰাও হীন - স্থিৰ হয় । অসমীয়া সংস্কৃতিৰ গুৰি বৈঠাতা । ধনজয়া শিল্পীৰ ১৯৬৯ চনৰ ২০ জুন তাৰিখে আমাক কন্দুৱাই পৰলোকলৈ গমন কৰে । অসমীয়া সমাজ, সাহিত্য -সংস্কৃতিলৈ তেওঁ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে, তেওঁৰ মৃত্যুৰ দিনটো প্ৰতি বছৰে 'ৰাভা- দিৱস' হিচাপে উদযাপন কৰি আহিছে ।

* * * * *



# গল্প

# শেষ বিদায়

গৌৰৱ সোনোৱাল

বছৰ দুটা আগতে একে কালেজত পঢ়া সময়তে তেওঁলোকৰ চিনাকি হৈছিল । প্ৰথমতে, মাথো শুভেচ্ছা বিনিময়, পিছত অলপ অলপ কথা, আৰু তাৰ পিছতেই বন্ধুত্বৰ সূত্ৰপাত ।



সেই বন্ধুত্ব কেতিয়াবা নীৰৱ-ভাৱে একেটা অনুভৱলৈ পৰিণত হৈছিল - যাক দুয়োজনে "ভালপোৱা" বুলি কেতিয়াও মুকলি নকৰিলে, কিন্তু মনত সদায় বুজিছিল ।
তেওঁলোকৰ দিনবোৰ একেলগে পাৰ হৈছিল - লাইব্ৰেৰী, কেন্টিন, কালেজৰ গছজোপাৰ তল, সকলো আছিল সেই মধুৰ অনুভৱৰ । হাঁহিৰ মাজত লুকাই থকা মৰম, নীৰৱতাত থকা সান্ত্বনা... এইবোৰেই আছিল তেওঁলোকৰ জগত । কিন্তু সপোনৰ বাট সদায় একে নাথাকে ।
অধ্যয়ন শেষ হোৱাৰ লগে লগে জীৱনৰ বাস্তৱতা আহিল । দুয়োজনে নিজৰ নিজৰ দিশে আগবাঢ়িব লগা হ'ল - এটা বেলেগ চহৰলৈ, আনটো ঘৰলৈ উভতি গ'ল । আৰু সেই দিনটোৱেই আছিল "আমাৰ শেষ বিদায় ।
ষ্টেচনৰ দাঁতিত, সেইবাৰৰ বাবে চকু চকুত

পেলালে। তেওঁ কলে - সময়বোৰ ভাল আছিল, নহয়নে? অন্যজনে মাথো মিচিকিয়া হাঁহিলে, চকুত চকুপানী "অৰণ্যে.. আৰু সেইবোৰ স্মৃতি ৰাখিম আজীৱন।"

এনেকুৱা বহু কথা ক'ব ইচ্ছা হৈছিল, কিন্তু সময় নাছিল আৰু সাহসো নাছিল। হঠাতে মন মেলি কলে -'যদি সময় পুনৰ মিলাই দিয়ে, আমাৰ মাজত শেষ বুলি কিবা নাথাকিব।

গাড়ীখন যাবলৈ হ'ল, বিদায় ক্ষণ আহিল। হৃদয়ত এতিয়া শূন্য... কিন্তু লগত এটি স্পৰ্শযোগ্য সোঁৱৰণি।

আমাৰ শেষ বিদায় - বাহ্যত শেষ হলেও, অনুভৱত কেতিয়াও নহয়। কাৰণ সঁচা ভালপোৱা সময় আৰু দূৰত্বৰ বাহিৰে জীৱিত থাকে।

* * * * *

# কবিতা



# প্ৰত্যাখ্যান

ঈশ্বৰ প্ৰেমক প্ৰত্যাখ্যান কৰি
কন্যাই ৰক্ষা কৰিলে
পিতৃৰ সন্মান ।

কিন্তু এই কাহিনীটোৰ অলপ
আগলৈকে কোনেও মাত্ৰ
মৰমৰ পুত্ৰৰ কিহ'ল
বুলি সোধা নাছিল ।

তথাপিও সেই বেদনাদায়ক
স্মৃতিবোৰ ম্লান হ'বলৈ
অস্বীকাৰ কৰে, প্ৰতি নিশাই আপোনাক
খেদি ফুৰে... ॥

অৰ্ণৱ সোনোৱাল



# সোঁৱৰণি

চকামকা পোহৰত
কোন নক্ষত্ৰৰ বিননী,
আমানিৰ দৃষ্টিৰে
আজি কি আদৰ্শৰ সোঁৱৰণি ?
কাহানো হেৰাল আপোনাৰ বাট
কঁত আছিল সোণজীয়া আঁত,
বিচাৰি ফুৰিছো নতুনৰ দুৱাৰ
এখনি ফুলৰ ছাঁত ।

মোক এপাহি ফুল দিয়া
শান্তিৰ ফুল,
সজাম একোডাল মালা
আশাৰ বেজীয়ে সিঁ যাম
বাস্তৱ-অবাস্তৱৰ গাঁথা ।
জিলমিল জোনাকত গাম আমি
সেই মালাৰ গুণগাঁথা গান,
জোনাকী হৈ আহিবা বিচাৰি
তোমাৰ কল্যাণ খৰস্নান...॥




লক্ষ্মিতা শইকীয়া
মৰাণ ।

# উকা হৃদয়

মমতা (বন্দনা) বড়া
গোনোৱাল

দুপৰ নিশা নিস্তব্ধ ৰাতি
বিচনাত ইকাটি - সিকাটি
মাৰে আছো উজাগৰে ।
মেলি দিলো খিৰিকী
এজাক চেঁচা বতাহে
মোৰ দেহ-মন শিহৰণ
কৰি তুলি গ'ল ।
নীৰৱতাৰ মাজেৰে আগবাঢ়িলো
হেৰাই যোৱা স্মৃতিৰ মাজলৈ
অবুজ বেদনাৰে ভৰপূৰ
মোৰ জৰ্জৰিত হৃদয় ;
হৃদয় ভাঙি চূৰ-মাৰ হোৱা
মই এজনী তিৰোতা,
প্ৰতিদিনাই বৈ যায় দুধাৰি
চকুলোৰ মালাধাৰি ।
ধুমুহাৰ সৃষ্টিৰে কৰিছো
জীৱন অতিবাহিত
জীৱনৰ অমানিশা নমাই
আনিলা তুমি,
অকল্পনীয়া কৰিলা কেতিয়াবাই
এতিয়া মই দিশহাৰা ।



# ৰাভা এক শিল্পৰ বিপ্লৱ

পাহাৰৰ কোলাত উদয় এটা ৰদ,
ৰাভা আছিল সংস্কৃতিৰ মোদ
নাটৰ কণ্ঠত কাব্যৰ সুৰ
চিন্তাৰে বান্ধে নতুন পৰিচয়ৰ দূৰ।

সংগীতত আছিল বিদ্ৰোহৰ সুঁৰ
মানৱতাৰ বুলি তেওঁৰ মুখে বাজা।
নৃত্যত, গানত, জোনাকী দিশত,
তেওঁ আছিল ঐক্যৰ এক
ৰাষ্ট্ৰীয় প্ৰচাৰক ।



সাহসী হৃদয় শুদ্ধ আত্মাৰ নাম,
ৰাভা নহয় মাত্ৰ এজন মানুহ
আজি তেওঁৰ দীঘল ছাঁ- ছেটি
বহন কৰোঁ প্ৰতিজ্ঞা ইতি ।।

ঈষাৰাণী সোনোৱাল ।

# The World Inside a Teardrop.

Dreams of emotions, act fly;
Under a teardrop, where they lie.
The world of a tear, it fades;
Symphony of thoughts and
feelings to praise.



Eclipse of thoughts can't be seen,
yet they lay;
The eyes betray, that lips won't
say.
Tears fall to show emotions,
Creating the depth of heart to blossom.

Tangled emotions are Vivid, clear;
Within the imagery of hope and fear.
Of silent river flowing in the sune,
Shinning the reel of emotions serene and clean.

On its surface, colours gleam;
Grey for fear, blue for a dream.
A transparent drop, along fragile sight;
A teardrop births for both dark and light.

— David Sonowal.

# আকৌ লগ পাম



আকৌ এবাৰ লগ পাম দিয়া,
সেই চিনাকি বাটত অচিনাকি হৈ।
তুমি মোক দিয়া মই তোমাক দিয়া,
সেই মৰমৰ উপহাৰবোৰ
স্মৃতি হৈ চাবলৈ,
আহিবা তুমিও
চিনাকি বাটত অচিনাকি হৈ।
আকৌ কেতিয়াবা সপোনবোৰ
আপোন হয়,
আপোনবোৰ সপোন হয়।
সেই চিনাকি সপোনবোৰ
অচিনাকি হৈ আঃ?
সেই চিনাকি বাটত
ৰৈ থাকিম মই তোমাৰ অপেক্ষাত
তুমি আকৌ আহিবা
সেই চিনাকি বাটত অচিনাকি হৈ,
আকৌ লগ পাম
আকৌ পাতিম,
সেই চিনাকি কথাবোৰ
অচিনাকি সুৰেৰে...।।

শ্ৰী গৌৰাংগ কৃষ্ণ সোনোৱাল




# তুমি

তুমি মানে জোনাক নিশা,
সপোনৰে ভৰা এক নিস্তব্ধ ভাষা।
তুমি মানে হাঁহিৰে ভৰা কণ্ঠবোৰ,
তুমি মানে মোৰ হৃদয়ৰ সঁচা সুৰ।

তোমাৰ চকুৰ তৰাবোৰ,
প্ৰেমৰ বতৰা কাণে কাণে কয়।
তুমি যে মোৰা কাষত,
জীৱনৰ সকলো বাটবোৰ সুগন্ধি হয়।

মই দিয়া সৰু মৰমবোৰ,
তোমাৰ বুকুত সুৰ হৈ বাজে যেন।
তুমি মই নহ'লে – মোৰ পৃথিৱী অজান,
তুমি আচা, সেয়ে জীৱনটো প্ৰেমেৰে টান।

শ্ৰী জ্যোতিপ্ৰিয়ম সোনোৱাল

# মনৰ ভাষা

কাব্যম সোনোৱাল

জন্মৰ কিছু আবেগ
মন মোৰ উচ-পিচ,
সোণোৱালীৰে ভৰা পথাৰ
মাজৰ মুক্তি-মন্দিৰৰ চৌহদত
আজি পাতিছে ৰাভা দিৱস।
আগবাঢ়িছো মই ষ্টেজৰ ফালে,
ৰাভাৰ সংগীত মোৰ বৰ প্ৰিয়।
দূৰু-দূৰু কঁপিছে বুকু,
জুৰিছো গীত সুস্বৰিত কাকৰে
পুলকিত অনুভৱেৰে,
জীৱনৰ আৰম্ভণিৰ
প্ৰথম খোজত... "



# মৌনতা

শ্ৰীমতী অনিতা সোণোৱাল

মৌনতাচোৱা ক'ব পাৰে বাৰু,
যি কথা শব্দৰে নকয় কেতিয়াও ।
অশ্ৰুত ম্লান হয় দিন,
অন্তৰত বাজে নিৰৱ গীতবিন্দ ।
নোকোৱা ভাষাবোৰেইতো বিশাল,
তাতেই থাকে হৃদয়ৰ স্নিগ্ধতা ।
বুজে কেৱল ক্ষণবোৰে,
মৌনতাৰ ৰাতিৰ নীৰৱতা ।
হৃদয়ত বাজে অসংখ্য ধ্বনি,
আলসুৱা মনৰ অচিন সঙ্গীত ।
ধ্বনিও নাই, হাঁহিও নাই,
তাতে মাথো গভীৰ গুঞ্জন ।
শব্দবোৰ হেৰাল,
সোঁৱৰণিবোৰ ৰ'ল,
স্তব্ধতাই আজি মোৰ সংগী হ'ল,
শব্দহীনতাৰে প্ৰেম জীয়াই,
বিধাতা ইয়ো এটিয়া বাট
হেৰুৱাই ।



# Myth

At the Age of 22 it feels like
you are
drowning at your own thoughts!
It's been a Cheap Smile on the
outside & Tears on the inside!
Love is a myth;
Relationship are like flowers;
they wither and die;




Trapped in a life we didn't
choose,
with no way out!
Empty dreams; Empty pockets
Slowly fading away the dignity
Suffocating under the weight of
their dreams.




~ Rajmoni Sonowal.

# মোৰ মন যায়

মোৰ মন যায়
পখি হ'বলৈ
আকাশৰ বুকুত
উৰি ফুৰিবলৈ

মোৰ মন যায়
এপাহ ফুল হ'বলৈ
বাগিচাৰ মাজত
উজ্জ্বলি ফুৰিবলৈ



মোৰ মন যায়
ৰামধেনু হ'বলৈ
ৰামধেনুৰ ৰংবোৰ
সকলোকে বিলাই দিবলৈ

মোৰ মন যায়
এখনি সুৰতী নদী হ'বলৈ
গাওঁৰ নিজান বুকুয়ে
বৈ যাবলৈ

মোৰ মন যায়
মাৰ মুখৰ হাঁহিটি হ'বলৈ
গোটেই জীৱন মাৰ মুখত
জিলিকি ৰবলৈ ।

শ্ৰীমতী জিজ্ঞাসা সোণোৱাল

# ৰাভা ৰং




ৰাভা জনৰ মুক্তি গান,
মাটিৰ বোলত সোণালী তান।
নাট-সংগীত, বিপ্লৱৰ বাণী,
উজ্জ্বল কৰিলে অনন্তকাল মিলি।

চকুত আছিল নতুন পুৱাৰ বৈ,
"মানুহে মানুহক" বিচাৰিলে জয়।
পাহাৰ বন পখাৰ দ'লে
তেওঁৰ সুৰ আজিও বাজে।

সংস্কৃতিৰ সৈনিক, ন্যায়ৰ পূজাৰী,
জনতাৰ স্বৰত বাজে ছন্দ-সাৰী,
আজি ৰাভা দেউতাক শিৰে শিৰে পিন্ধো,
তাৰ আদৰ্শত নতুন দেশ গঢ়োঁ।

শ্ৰীমতী সোনমণি সোনোৱাল

# বৰষুণ



মেঘৰ বিষাদ সাজনি
আকাশৰ গোমোঠা মুখ
শুকুলা ডাৱৰবোৰ দেখিলে
বুকুখন বৰকৈ বিষায়...

হয়, মই বৰষুণ ভাল পাওঁ
বৰষুণ মোৰ বৰ প্ৰিয়
তুমিও জানা প্ৰিয়তমা,
সুবিশাল পৃথিৱীৰ তলত
দুয়ো এক হোৱা অযুত হেপাঁহ,
বাৰিষা বাৰা-মাৰ বৰষুণে
অতীতক সোঁৱৰায়,
উজাগৰী নিশাবোৰ বৰষুণৰ সৈতে
বিলীন হ'বলৈ বৰ মন যায়
তুমি জানা বুজা বৰষুণ..
তোমাৰ বাৰাধাৰ টোপালত কিমান প্ৰাণ জী উঠে,
তুমি নুবুজা বৰষুণ বুকুৰ সমস্ত যন্ত্ৰণা
তোমাতে ধুপি দিবলৈ মন
বৰষুণৰ সৈতে,
বিলীন হবলৈ মন তোমাতে ।

ডুম্ব গোনোৱাল ।

# তোমাৰ গৰিমা

পাৰাগ সোনোৱাল

সোনৰ দেৱালত কাৰেংঘৰৰ লিগিৰীত
তুমি এতিয়াও জীয়াই আছা
কিহেৰে পুজিম তোমাৰ গৰিমা
সংগ্ৰাম বিহীন জীৱনক তুমি
দিলা নতুন জাগৰণ
নতুন প্ৰজন্মক দিলা প্ৰাণ
সেয়াই যাবলৈ চলোৱা অসমীয়া জাতিক
ৰঙেৰে উপচাই তুলি গীতৰ
সপোনৰ ঢৌ তুলিলা,
তুমি মহান, তুমি জাতিৰ প্ৰাণ,
তোমাৰ শুভ্ৰ চৰণত কিদৰে
বাখিম তোমাৰ গৰিমা কলাগুৰু,
আতোৰভী ৰামবৈনুত সাত কোটি প্ৰনাম
তোমাৰ চৰণত শতকোটি প্ৰণাম ॥



লগন উকলি গ'ল
তেওঁ যে নহ'ল কোৱা
মনৰ কথাটি মোৰ
হিয়াত ওপঙি মোৰা
লগন উকলি গ'ল
তেওঁ যে নহ'ল কোৱা ...

❀ ❀ ❀